প্ৰেছ বাৰ্তা নং ঃ ৩৩৮/২০২২

## কোকৰাঝাৰ জিলাৰ গোসাঁইগাওঁ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠান আৰু ইউপিপিএলৰ তৃতীয় ত্ৰিবাৰ্ষিক অধিৱেশনত অংশ ল'লে মুখ্যমন্ত্ৰী ড° শৰ্মাই

## যুৱ সমাজক ষ্টাৰ্টআপ ক্ষেত্ৰখনত আত্মনিয়োগ কৰিবলৈ আহ্বান মুখ্যমন্ত্ৰীৰ

## প্ৰমোদ বড়োৰ নেতৃত্বত বিটিআৰ শান্তি আৰু প্ৰগতিৰ নতুন দিগন্তৰ দিশে ধাবমান হৈছেঃ মুখ্যমন্ত্ৰী

## কোকৰাঝাৰত অত্যাধুনিক ক্ৰীড়া ষ্টেডিয়াম নিৰ্মাণৰ বাবে ১৫০ কোটি টকাৰ অনুদান ঘোষণা মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

**দিছপুৰ, ১৩ নৱেম্বৰ ঃ** আজি দিনজোৰা কাৰ্যসূচীৰে কোকৰাঝাৰ জিলা ভ্ৰমণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গোসাঁইগাঁও মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ সামৰণি অনুষ্ঠানৰ লগতে কোকৰাঝাৰ নগৰৰ দাঁতিকাষৰীয়া চন্দ্ৰপাৰাত অনুষ্ঠিত ইউনাইটেড পিপলছ্ পাৰ্টি লিবাৰেল (ইউপিপিএল)ৰ তৃতীয় ত্ৰিবাৰ্ষিক অধিৱেশনত অংশ লয়।

গোসাঁইগাঁও মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ সামৰণি অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ১৯৭১ চনতে প্ৰতিষ্ঠিত ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনে শিক্ষাৰ্থীসকলৰ প্ৰতিভা আৰু দক্ষতা বিকাশৰ দিশত লোৱা উল্লেখযোগ্য পদক্ষেপৰ ফলত বিভিন্ন কৰ্মক্ষেত্ৰত তেওঁলোক সুপ্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছে। ইয়াৰ জৰিয়তে মহাবিদ্যালয়খনে ৰাষ্ট্ৰ নিৰ্মাণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই মহাবিদ্যালয়খনৰ ভূমিকাৰ প্ৰশংসা কৰে। পাঁচদশক পুৰণি শিক্ষানুষ্ঠানখনে অবিৰতভাৱে অঞ্চলটোত মানসম্পন্ন শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰত সেৱা আগবঢ়াই যাব বুলিও তেওঁ আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰৱৰ্তী ২৫ বছৰ ভাৰতবৰ্ষৰ স্বাধীনতাৰ অমৃতকাল বুলি অভিহিত কৰাৰ কথা উল্লেখ কৰি ড° শৰ্মাই কয় যে দেশে যেতিয়া ১০০ বছৰত উপনীত হ'ব সেই সময়ত ৰাষ্ট্ৰৰ বিকাশৰ বিভিন্ন ক্ষেত্ৰত দেখা দিয়া সফলতা সমূহ জাতিষ্কাৰ কৰাত গোসাঁইগাঁও মহাবিদ্যালয়েও গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই মহাবিদ্যালয়খনক জ্ঞান আৰু প্ৰজ্ঞাৰ এক মন্দিৰলৈ ৰূপান্তৰ কৰাৰ বাবে অধ্যাপক-অধ্যাপিকাসকলক পদক্ষেপ ল'বলৈ আহ্বান জনায়।

মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁলোকক কৰ্মসংস্থাপনৰ বাবে আনৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ পৰিৱৰ্তে কৰ্মসংস্থান সৃষ্টিকাৰী হ'বলৈ নিজৰ মাজত উদ্যমিতা শক্তিৰ বিকাশ ঘটাবলৈ আহ্বান জনায়। সাম্প্ৰতিক যুগত উদ্ভাৱনীমূলক চিন্তা-চৰ্চাৰ কোনো বিকল্প নাই বুলি মন্তব্য

কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলক বিগত বছৰসমূহত দেশৰ অৰ্থনীতিলৈ চমকপ্ৰদ ৰূপান্তৰ কঢ়িয়াই অনা ষ্টাৰ্টআপ ক্ষেত্ৰখনত জড়িত হ'বলৈ আহ্বান জনায়। ষ্টাৰ্টআপ আৰু ঔদ্যোগীকৰণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ সম্পৰ্কেও মুখ্যমন্ত্ৰী ড° শৰ্মাই আলোকপাত কৰে। কৃত্ৰিম বুদ্ধিমত্তা, বিগডাটা, অগমেণ্টটেড ৰিয়েলিটি, ক্লাউড কম্পিউটিং, এডভান্স জেন'মিক্স আদি প্ৰযুক্তিসমূহ ভাৰতীয় ষ্টাৰ্টআপ ক্ষেত্ৰখনৰ ভৱিষ্যত বুলি মন্তব্য কৰি ড° শৰ্মাই মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত স্থাপন কৰা ইনকিউবেশ্যন আৰু উদ্ভাৱনৰ কেন্দ্ৰসমূহ পৰিদৰ্শনৰ ব্যৱস্থা কৰিবলৈ কয়। এই পদক্ষেপে শিক্ষাৰ্থীসকলক শৈক্ষিক জীৱন সমাপ্ত কৰাৰ পূৰ্বেই তেওঁলোকৰ পছন্দৰ অনুকূলে উদ্ভাৱনৰ ক্ষেত্ৰখনত আগুৱাই যাবলৈ অনুপ্ৰাণিত কৰিব বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গোসাঁইগাঁও মহাবিদ্যালয়ৰ শৈক্ষিক আৰু আন্তঃগাঁথনি উন্নয়নৰ বাবে মহাবিদ্যালয়খনৰ পৰা দাখিল কৰা প্ৰস্তাৱসমূহ ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰা হ'ব। তেওঁ তিনি বছৰৰ ভিতৰত মহাবিদ্যালয়খনত সকলো বিভাগ আৰু বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই মহাবিদ্যালয়খনৰ নিৰ্মীয়মান প্ৰেক্ষাগৃহৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰিবলৈ ১ কোটি টকাৰ আৰ্থিক অনুদানৰ কথা ঘোষণা কৰে। গোসাঁইগাঁও অঞ্চলটো তুলনামূলকভাৱে কিছু পিছপৰি থকা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এই অঞ্চলৰ সামগ্ৰিক বিকাশৰ বাবে এক নিৰ্দিষ্ট পৰিকল্পনা গ্ৰহণ কৰিব বুলি কয়।

গোসাঁইগাঁও মহাবিদ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীত ৰাজ্য চৰকাৰৰ হস্তশিল্প আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, বিধায়ক জিৰণ বসুমতাৰী, কোকৰাঝাৰ জিলাৰ উপায়ুক্ত বৰ্ণালী ডেকা প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই জিলাখনৰ চন্দ্ৰপাৰাত অনুষ্ঠিত ইউপিপিএল দলৰ তৃতীয় ত্ৰিবাৰ্ষিক অধিৱেশনত অংশ লয়। এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বিটিচিৰ মুৰব্বী প্ৰমোদ বড়োৰ লগতে বৰ্তমানৰ বড়োলেণ্ড টেৰিটৰিয়েল অঞ্চলৰ প্ৰশাসনৰ শলাগ লয়। অশান্ত জৰ্জৰ এক অঞ্চলৰ পৰা শান্তিৰ এক আদৰ্শ ভূমিলৈ এটা অঞ্চল কেনেদৰে ৰূপান্তৰ হ'ব পাৰে সেই দিশত বিটিআৰ এক উজ্জ্বল নিদৰ্শন বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সফলতাৰ কৃতিত্ব বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে প্ৰদান কৰা নেতৃত্ব আৰু ষষ্ঠ অনুসূচীৰ অন্তৰ্গত এলেকাটোত বসবাস কৰা বিভিন্ন খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ লোকসকলে এই দিশত প্ৰদান কৰা সহযোগিতা বুলি কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই ইউপিপিএল নেতৃত্বক জনকল্যাণৰ বাবে ৰূপায়ণ কৰা কাম-কাজসমূহ অব্যাহত ৰাখিবলৈ আহ্বান জনাই কয় যে এই দিশত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সকলো ধৰণৰ আৰ্থিক সাহায্য আৰু সহায়-সহযোগিতা প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে বড়োলেণ্ড আন্দোলনৰ সময়ছোৱাত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ যথোপযুক্ত সংস্থাপনৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁ বিটিআৰত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকসকলক পুৰণি তিক্ততা পাহৰি উমৈহতীয়া প্ৰচেষ্টাৰে শান্তি আৰু প্ৰগতিৰ এক নতুন দিগন্তৰ উন্মেষ ঘটাবলৈ কাম কৰাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কোকৰাঝাৰত এটা অত্যাধুনিক ক্ৰীড়া ষ্টেডিয়ামৰ

বাবে ১৫০ কোটি টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে। তেওঁ আশা প্ৰকাশ কৰে যে এই পদক্ষেপে অঞ্চলটোৰ ক্ৰীড়া প্ৰতিভাসমূহ সফলতাৰে বিকশাই তোলাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব।

ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ লগতে ইউপিপিএলৰ নেতৃবৰ্গ আৰু বহু গণ্য-মান্য ব্যক্তি এই অধিৱেশনত উপস্থিত থাকে।

**আয়ন / বীঃগঃ**
**১৩/১১/২০২২**